# 2018

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) মাধৱদেৱৰ 'তেজৰে কমলাপতি' নামৰ বৰগীতটোত ব্যৱহাৰ কৰা ৰাগটোৰ নাম কি?

(খ) 'পাহৰণি' কবিতাটোত অসমৰ কোনখন ঠাইৰ কথা বিশেষভাৱে উল্লেখ কৰিছে?

(গ) 'শৰৎ বৰ্ণনা' কবিতাটিৰ আধাৰ গ্ৰন্থখনৰ নাম লিখা।

(ঘ) 'বীণা' কাব্যগ্ৰন্থৰ ৰচক কোন?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা-পুথিখনৰ নাম লিখা।

(চ) চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম কোন চনত হৈছিল?

(ছ) অসমীয়া কাব্য-সাহিত্যত 'সুগন্ধি পখিলা'ৰ কবি বুলিলে কোনগৰাকী কবিক জনা যায়?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) শংকৰদেৱৰ 'শৰৎ বৰ্ণনা' কবিতাত কোনবিধ অলংকাৰৰ প্ৰয়োগ বেছি? এটি উদাহৰণ দিয়া।

(খ) কমলাকান্ত ভট্টাচাৰ্য্যৰ কাব্যগ্ৰন্থ দুখনৰ নাম লিখা।

(গ) 'প্ৰতিমাৰ খনিকৰ' বুলি কোনগৰাকী কবিক কোৱা হয়? তেওঁ সম্পাদনা কৰা এখন আলোচনীৰ নাম উল্লেখ কৰা।

(ঘ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাসমূহ দুটা ভাগত ভাগ কৰিব পাৰি। ভাগ দুটা কি কি?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) "ফুলনিত কোনে নিশা নাচিছিল
ছিগি ৰ'ই গ'ল মণি,
ৰঙিলীৰ ভাব হাঁহি নাচোনৰ
ৰ'ল চিন এইকণি।"

(খ) "নন্দ গেল বাথানে গোৱাল গেল পাল।
সুৰভি চাৰিতে লাগে উঠৰে গোপাল॥"

(গ) "জন্মিব সিদিনা শতেক মেট্‌চিনি
তুচ্ছ পৰি থকা শিলৰ পৰা
শত গাৰিবল্‌ডি জনম লভিব
কৰিব পোহৰ ভাৰত ধৰা।"

(ঘ) “বিশ্ব জনসভাত
রুদ্র আত্মৰতি মননশীলতাৰ অন্ধ কাৰাগাৰ গঢ়ি
আমি নহওঁ ‘নিঃসংগ সুদূৰ’ ।”

(ঙ) “সূৰ্য্য দৰশনে ফুলৈ পদ্মবন
জঁই পৰৈ ভেটফুল ।
ৰাজাৰ উদয়ে যেন সৱে সুখী
চোৰৰ চিত আকুল ॥”

৪ । নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) ‘শৰৎ বৰ্ণনা’ নামৰ কবিতাত শৰৎকালৰ বিভিন্ন বিষয়ৰ সৈতে কবিয়ে কেনেধৰণৰ উপমাৰ সমাবেশ ঘটাইছে, আলোচনা কৰা ।

(খ) বৰগীত কাক বোলে ? ‘তেজৰে কমলাপতি’ বৰগীতটোত মাধৱদেৱে শ্ৰীকৃষ্ণৰ বাল্যলীলা কিদৰে প্ৰকাশ কৰিবলৈ বিচাৰিছে, আলোচনা কৰা ।

(গ) অসমৰ অতীত গৌৰৱৰ বিৱৰণ কমলাকান্ত ভট্টাচাৰ্য্যই ‘পাহৰণি’ কবিতাটোত কিদৰে উপস্থাপন কৰিছে, আলোচনা কৰা ।

(ঘ) বেজবৰুৱাৰ ‘মালতী’ কবিতাটোৰ মাজেৰে ৰোমাণ্টিক দৃষ্টিভঙ্গী কিদৰে প্ৰতিভাত হৈছে, আলোচনা কৰা ।

(ঙ) 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটোত বিপ্লৱৰ মাজেৰে সংস্কাৰসাধনৰ মনোভাব কবিয়ে কিদৰে প্ৰকাশ কৰিছে, চমুকৈ আলোচনা কৰা।

(চ) সাম্প্ৰতিক কবিতা-শৈলীৰ প্ৰধান বিশেষত্বসমূহ দাঙি ধৰি 'মোৰ দেশ' কবিতাত সেই বিশেষত্ববোৰ কিমানদূৰ প্ৰতিফলিত হৈছে, উদাহৰণসহ আলোচনা কৰা।

★★★